**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-02-2025 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

**HEADLINES**

রাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ দায়িত্বত থকা মন্ত্ৰী-বিষয়াসকলৰ আন্তঃৰাষ্ট্ৰীয় ভ্ৰমণৰ ফলস্বৰূপে সদ্য সমাপ্ত দ্বিতীয় এডভাণ্টেজ আছামত বহুকেইখন বিদেশী ৰাষ্ট্ৰই অংশগ্ৰহণ কৰি ৰাজ্যত বিনিয়োগৰ প্ৰতিশ্ৰুতি দিয়ে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি এখন সংবাদমেল সম্বোধন কৰি এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে আন্তঃৰাষ্ট্ৰীয় সহযোগিতা শক্তিশালী কৰাৰ প্ৰচেষ্টাৰ অংশ হিচাপে জাপান, মালয়েছিয়া, কোৰিয়া, ছিংগাপুৰ, থাইলেণ্ড, গ্ৰেট ব্ৰিটেইন আৰু সংযুক্তি আৰব আমেৰি ৰাষ্ট্ৰকে ধৰি বিভিন্ন ৰাষ্ট্ৰৰ মুখ্য অংশীদাৰসকলৰ সৈতে ১৮০ খনতকৈও অধিক বৈঠক অনুষ্ঠিত হৈছিল। ইয়াৰ ফলশ্ৰুতিত এই শীৰ্ষ সন্মিলনত এহেজাৰ ১০০ ৰো অধিক আন্তঃৰাষ্ট্ৰীয় প্ৰতিনিধিয়ে অংশ লোৱা বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

মুখ্যমন্ত্ৰীগৰাকীয়ে এই সন্মিলনত ৰাজ্যৰ ঔদ্যোগীক খণ্ডত ৪১০ কোটি টকা, পশুপালন খণ্ডত ৩০০ কোটি টকা বিদেশী বিনিয়োগ হৈছে বুলি প্ৰকাশ কৰে।

ড০ শৰ্মাই কাইলৈ পৰ্যন্ত জনসাধাৰণৰ বাবে মুকলি থকা এডভাণ্টেজ আছামৰ প্ৰদৰ্শনীখনৰ কথা উল্লেখ কৰি কয়, যে এই প্ৰদৰ্শনীত ২০০ ৰো অধিক বিপণীৰ দ্বাৰা ৰাজ্যৰ বিকাশ আৰু উদ্ভাৱনৰ অনন্য দিশসমূহ প্ৰদৰ্শন কৰা হৈছে।

০০০০০০০

দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো আজি ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী পালন কৰা হয়। বিশিষ্ট পদাৰ্থবিজ্ঞানী ছাৰ চি ভি ৰমনৰ দ্বাৰা ৰমন প্ৰভাৱ বা ৰমন বিক্ষেপনৰ আৱিষ্কাৰৰ সৈতে সংগতি ৰাখি প্ৰতি বছৰে ২৮ ফেব্ৰুৱাৰীত এই দিৱস পালন কৰা হয়। চি ভি ৰমনে এই আৱিষ্কাৰৰ বাবে ১৯৩০ চনত ন'বেল বঁটা লাভ কৰিছিল।

যোৰহাট জিলাৰ উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তি প্ৰতিষ্ঠান, চি এছ আই আৰ-নিষ্টত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উপলক্ষে আয়োজন কৰা যুব বিজ্ঞান সমাৰোহত আজি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৰে অংশ লয়। ডাঃ পেগুৰে তেওঁৰ ভাষণত ৰাজ্যৰ উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহত গৱেষণা পৰিস্থিতি তন্ত্ৰ শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে চি এছ আই আৰৰ দৰে আগশাৰীৰ গৱেষণা প্ৰতিষ্ঠানসমূহক এই ক্ষেত্ৰত মহাবিদ্যালয়সমূহক সমৰ্থন আগবঢ়াবলৈ আহ্বান জনায়। অনুষ্ঠানত জ্যেষ্ঠ মন্ত্ৰী অতুল বৰা আৰু সাংসদ কামাখ্যা প্ৰসাদ তাচা উপস্থিত থাকে। জিলাখনৰ বাহনা মহাবিদ্যালয়ত আজি এই দিৱসৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আকস্মিক বক্তৃতা প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। অসম বিজ্ঞান সমিতি তিনিচুকীয়া শাখাৰ উদ্যোগত তিনিচুকীয়া জিলাৰ হাতীজান গাঁৱৰ কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ

কাৰ্যসূচী পালন কৰা হয়। অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ ড০ ৰাজীৱ বৰদলৈয়ে নৱপ্ৰজন্মৰ মনত বৈজ্ঞানিক মানসিকতাৰ কেনেদৰে বিকাশ কৰিব পাৰি সেই বিষয়ত বক্তব্য আগবঢ়ায়।

0000000

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ ৭ গৰাকী কৰ্মচাৰীয়ে আজি চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰিছে। তেওঁলোক হৈছে- বাতৰি বিভাগৰ জ্যেষ্ঠ আশুলিপিকাৰক অশোক কুমাৰ বায়ন, কেন্দ্ৰৰ মুখ্য কাৰ্যালয় সহায়ক নাৰায়ণ চন্দ্ৰ দেৱনাথ, অভিযান্ত্ৰিক সহায়ক মনোৰঞ্জন দেৱশৰ্মা, জাৰিকাৰক প্ৰফুল্ল চন্দ্ৰ শীল, বহুমুখী সহায়ক অনুপম দাস, সুৰক্ষা কৰ্মী ধনেশ্বৰ বৰ্মন আৰু কেণ্টিন কৰ্মী ভূপেন কাকতি।

আজি আবেলি আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ সমূহ বিষয়া কৰ্মচাৰীয়ে শ্ৰীঅশোক কুমাৰ বায়নক আন্তৰিকভাৱে বিদায় সম্ভাষণ জনায়। আন এটা অনুষ্ঠানত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বিষয়া-কৰ্মচাৰীসকলে এই সাতগৰাকী কৰ্মচাৰীক আন্তৰিকভাৱে বিদায় সম্ভাষণ জনায়।

0000000

আকাশবাণী গুৱাহাটী কেন্দ্ৰই অহা দেওবাৰে শোণিতপুৰ জিলাৰ ঢেকিয়াজুলিৰ ত্ৰিমুৰ্তি ভৱনত **দেশৰ কথা দেশৰ গান** শীৰ্ষক এটা বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। এই অনুষ্ঠানত চাইবাৰ অপৰাধ সম্পৰ্কত বক্তৃতা প্ৰদান কৰিব উপ-আৰক্ষী অধীক্ষক পিংকি দাসে। ইয়াৰ পাছতেই জ্যেষ্ঠ সংগীত শিল্পী জে পি দাস আৰু দুৰ্গাময়ী বৰাই গীত পৰিবেশন কৰিব। সন্ধিয়া ৬ বাজি ৫ মিনিটৰ পৰা নিশা ৮ বজালৈ এই অনুষ্ঠান কেন্দ্ৰৰ মহাবাহু শাখা আৰু ইয়াৰ ফে'চবুক পেজত পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানৰ মাজতে ৬ বাজি ৪৫ মিনিটত সন্ধিয়াৰ আঞ্চলিক বাতৰি আৰু ৭ বাজি ১০ মিনিটৰ বাতৰি প্ৰচাৰিত হ'ব। দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটত প্ৰচাৰ হ'বলগীয়া সংবাদ চলন্তিকাৰ প্ৰচাৰ অৱশ্যে বন্ধ থাকিব।

0000000

ৰাজ্যখনৰ সংবাদ জগতত এটা পৰিচিত নাম - নিতুমনি শইকীয়া। উত্তৰ অসমৰ এখন সৰু চহৰৰ পৰা অহা এজন তীক্ষ্ণধী যুৱক এদিন আকাশবাণী গুৱাহাটী কেন্দ্ৰলৈ আহি প্ৰচাৰ মাধ্যমৰ সৈতে কিদৰে জড়িত হৈছিল আৰু পৰৱৰ্ত্তী কালত কিদৰে ৰাজ্যৰ টেলিভিছন সংবাদ মাধ্যমত নিজৰ পৰিচয় দাঙি ধৰিবলৈ সমৰ্থ হৈছিল সেই বিষয়ে তেওঁৰ নিজৰ মুখেৰেই শুনিবলৈ পাব কাইলৈ নিশা ৮ বাজি ২ মিনিটত আমাৰ দৃষ্টিপাত অনুষ্ঠানত। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু সাক্ষাৎ গ্ৰহণ ৰাজীৱ লোচন বৰঠাকুৰৰ।

0000000

**সমাপ্ত**